# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 24-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

- - - - - - - - - - - - - -

গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া কাইলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক সম্বোধি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে সন্ধিয়া সাত বজাত হিন্দীত দিয়া এই ভাষণৰ পাছতে ইয়াৰ ইংৰাজী ভাষান্তৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীৰ আটাইবোৰ কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ এই ভাষণ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়া সাত বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি নিশা সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পৰহিলৈ পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ সেইদিনা পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি পুৱা ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণীয়ে পৰহিলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুচকাৱাজ আৰু প্ৰতীকপট শোভাযাত্ৰা অনুষ্ঠান পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। ২৬ জানুৱাৰীৰ দিনা ৰাজ্যখনত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ ভেটিত আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে দেওবাৰে নিশা সাত বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া **সংবাদ চলন্তিকা** প্ৰচাৰ কৰা নহয়।

০০০

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। গণৰাজ্য দিৱসৰ পেৰেডৰ বাবেও ইতিমধ্যে অনুশীলন সম্পূৰ্ণ হৈছে। পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গণৰাজ্য দিৱস উদযাপনৰ বাবে সমগ্ৰ চহৰখনেই সুন্দৰভাৱে সজাই-পৰাই তোলা হৈছে। ইপিনে, খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থাকে ধৰি যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে জানিবলৈ দিয়ে।

০০০

গণৰাজ্য দিৱসৰ প্ৰস্তুতি হিচাপে অসম আৰক্ষীয়ে গুৱাহাটীৰ লতাশিল আৰু পানবজাৰ অঞ্চলৰ বিভিন্ন পথেৰে কাইলৈ বিয়লি প্ৰাক্-গণৰাজ্য দিৱসৰ বিশেষ কুচকাৱাজৰ আয়োজন কৰিছে। কুচকাৱাজৰ এই সময়ছোৱাত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু সালসলনি ঘটোৱা হৈছে। সেই অনুসৰি লতাশিল খেলপথাৰৰ পৰা কুচকাৱাজ

আৰম্ভ হোৱাৰ পাছত এম জি পথেৰে ভৰলুমুখৰ পৰা অহা সকলো বাহনে তাৰকাগৃহ পইণ্ট অভিমুখে যাব লাগিব। কুচকাৱাজ জিলা পুঁথিভৰাল অভিমুখে অগ্ৰসৰ হোৱাৰ পাছত এ টি ৰোডৰ পৰা জি এন বি ৰোডেৰে পানবজাৰলৈ অহা বাহনসমূহ এ আৰ বি পথ হৈ আৰক্ষী আয়ুক্ত পইণ্টৰ দিশে যাব পাৰিব। কে এল বি পথেৰে কুচকাৱাজ অগ্ৰসৰ হোৱাৰ সময়ত টি চি পইণ্টৰ দিশৰ পৰা জি এন বি পথেৰে অহা বাহনসমূহে জিলা পুঁথিভৰাল পইণ্টত দিশ সলনি কৰি ৰিজাৰ্ভ বেংকৰ দিশে যাব পাৰিব। ভৰলুমুখৰ ফালৰ পৰা অহা বাহনসমূহৰ দিশ কটন কলেজিয়েট পথত সলনি কৰি এইছ বি পথেৰে যাব পাৰিব। জিলা পুঁথিভৰালৰ দিশৰ পৰা অহা বাহনসমূহ এইছ বি পথেৰে আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ দিশে যাব পাৰিব। আনহাতে, ৰাজভৱন-উজান বজাৰৰ পৰা অহা বাহনসমূহে তাৰকাগৃহ পইণ্টত গতিপথ সলাই লেম্ব ৰোড হৈ আমবাৰীৰ দিশে যাব পাৰিব।

০০০

ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ পৰিসংখ্যা গোটৰ সঞ্চালক প্ৰধান কাল সিং আৰু তেওঁৰ সহযোগী দলে আজি কামৰূপ মহানগৰৰ তিনিখন চিকিৎসালয় পৰিদৰ্শন কৰে। সোণাপুৰৰ তোপাতলী আয়ুষ্মান আৰোগ্য মন্দিৰ পৰিদৰ্শন কৰি তেওঁলোকে স্বাস্থ্য কেন্দ্ৰটোৰে জনসাধাৰণলৈ আগবঢ়োৱা সেৱাসমূহৰ লগতে বিভিন্ন তথ্য নিৰীক্ষণ কৰে। দলটোৱে ইয়াৰ পাছত সোণাপুৰ জিলা চিকিৎসালয় আৰু ধীৰেণপাৰা এফ আৰ ইউ পৰিদৰ্শন কৰি চিকিৎসালয় দুখনে আগবঢ়োৱা সেৱাসমূহৰ পৰিসংখ্যা নিৰীক্ষণ কৰাৰ লগতে আন্তঃগাথনি, অস্ত্ৰোপচাৰ কক্ষ, পৰীক্ষাগাৰ, প্ৰসৱ কক্ষ, ৱাৰ্ড আদিও পৰিদৰ্শন কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০

বাক্সা জিলাৰ ভূটান সীমান্ত এলেকাৰ সুবৰনখাটাত অনুষ্ঠিত ভাৰত-ভূটান বন্ধুত্ব মেলাৰ আজি সামৰণি পৰে। আঠ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ত্ৰয়োদশ সংখ্যক ভাৰত-ভূটান বন্ধুত্বমেলাৰ আজি সামৰণিৰ দিনটোত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই অংশগ্ৰহণ কৰে। মেলাৰ সৈতে সংগতি ৰাখি আজি অন্তিম দিনা আয়োজন কৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক কৃষ্টি নৃত্যই দৰ্শকক আপ্লুত কৰে। এই মেলাত ভূটানত উৎপাদিত সামগ্ৰী বিক্ৰীকেন্দ্ৰতো বিভিন্ন সামগ্ৰী ক্ৰয় কৰিবলৈ দৰ্শকে ভিৰ কৰে বুলি আমাৰ বাক্সা জিলাৰ সংবাদদাতাই জনাইছে।

০০০

সমাপ্ত